Total number of printed pages – 4

Anandaram Dhekial Phookan College Library * Nagaon : Assam *
Acc. No.
Date

**3 (Sem–2/CBCS) ASM HC 1**

**2025**

# ASSAMESE

(Honours Core)

Paper : ASM–HC–2016

***(Bhasa Bijnan Parichay)***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমু উত্তৰ দিয়া ঃ ১×১০=১০

(ক) 'ভাষা' শব্দটো সংস্কৃত কি ধাতুৰ পৰা আহিছে?

(খ) ইংৰাজী 'Grammar' শব্দটোৰ মূল কি?

(গ) ভাষাৰ ন্যূনতম উপাদান কি?

(ঘ) 'Assamese, Its Formation and Development', গ্ৰন্থখনৰ ৰচক কোন?

(ঙ) সুৰ-লহৰ অনুযায়ী বাক্যৰ অৰ্থৰ পৰিবৰ্ত্তন হব পাৰেনে?

(চ) আধুনিক ভাষাবিজ্ঞানৰ জন্মদাতা কোন?

(ছ) অষ্টাধ্যায়ী কাৰ ৰচনা?

(জ) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা?

(ঝ) "Language is a Social Institution". অৰ্থাৎ ''ভাষা এটা সামাজিক অনুষ্ঠান''—ভাষা সম্পৰ্কীয় এই মন্তব্যটো কোনে দাঙি ধৰিছে?

(ঞ) ঔষ্ঠ্য ধ্বনি উচ্চাৰণত প্ৰয়োগ হোৱা উচ্চাৰণকৰণ-বিধৰ নাম লিখা।

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) ভাষা মানুহে জন্মগতভাৱে শিকি আহেনে? মানৱ শিশুৰ ভাষা আহৰণৰ বিষয়ে কোনবিধ ভাষাবিজ্ঞানত আলোচনা কৰা হয়?

(খ) ভাষাৰ এটি সংজ্ঞা দাঙি ধৰা। ৰেলগাড়ীৰ সংকেত ভাষাৰ শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰিনে?

(গ) উচ্চাৰণৰ ধৰণ অনুসৰি অনিয়ত ধ্বনি কেইটা আৰু কি কি?

(ঘ) বিভক্তি কেইপ্ৰকাৰৰ আৰু কি কি?

(ঙ) ভাষাৰ *দুটা* বিশেষত্ব উল্লেখ কৰা।



Anandaram Dhekial Phookan College Library * Nagaon : Assam
Acc. No. ........
Date........

৩। চমু উত্তৰ দিয়া : *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) তুলনামূলক ভাষাবিজ্ঞানৰ পৰিচয় দাঙি ধৰা।

(খ) ব্যাকৰণ চৰ্চাৰ ক্ষেত্ৰত প্ৰাচীন গ্ৰীকসকলৰ অৱদানৰ বিষয়ে এটি চমু টোকা লিখা।

(গ) শব্দাৰ্থ পৰিবৰ্ত্তনৰ কাৰণসমূহ চমুকৈ লিখা।

(ঘ) অসমীয়া ভাষাৰ উপহিত বৰ্ণ বা অবিভাজ্য বৰ্ণ সম্পৰ্কে চমুকৈ লিখা।

(ঙ) ভাষাবিজ্ঞানক বিজ্ঞান বুলি কোৱাৰ কাৰণসমূহ ব্যাখ্যা কৰা।

(চ) ধ্বনি উচ্চাৰণত জিভাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ মাজত থকা মিল আৰু অমিলসমূহ আলোচনা কৰা।

*অথবা*

ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ মাজৰ পাৰ্থক্যসমূহ বহলাই আলোচনা কৰা।

(খ) সমাজ ভাষাবিজ্ঞানৰ বিষয়ে বিতংকৈ আলোচনা কৰা।

*অথবা*

উপভাষাবিজ্ঞান অধ্যয়নৰ পৰিসৰ আৰু প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

(গ) অসমীয়া বাক্যতত্ত্ব সম্পৰ্কে বহলাই লিখা।

*অথবা*

বিশিষ্ট ব্যঞ্জনধ্বনি কাক বোলে? অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনি কেইটাৰ এখন তালিকা প্ৰস্তুত কৰা।

(ঘ) ভাৰতীয় ভাষাৰ চিন্তা-চৰ্চা আৰু অধ্যয়ন সম্পৰ্কে বহলাই আলোচনা কৰা।

অথবা

ভাষাবিজ্ঞানৰ ইতিহাসত পাণিনীয় ধাৰাৰ গুৰুত্ব সম্পৰ্কে বৰ্ণনা কৰা।

Anandaram Dhekial Phookan College Library
Acc. No.
Date
* Nagaon : Assam *

---